**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-04-2026
**Time :** 18-00 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। রাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ প্ৰথমবাৰৰ বাবে একেটা পৰ্যায়ত ভোটগ্ৰহণ। নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে প্ৰশাসনৰ প্ৰস্তুতি সম্পূৰ্ণ।

২। নিৰ্বাচনী দায়িত্বত থকা প্ৰিজাইডিং, প'লিং আৰু নিৰাপত্তাৰক্ষীৰ ইভিএমসহ কৰ্তব্যস্থানত উপস্থিত।

৩। নিৰ্বাচনী ব্যস্ততাৰ মাজতেই অসমবাসী পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে হেঁপাহৰ ৰঙালী বিহু পালন কৰিবলৈ সাজু।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহি কেপিটেলছ আৰু গুজৰাট টাইটানছ মুখামুখি।

ooooo

রাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ প্ৰথমবাৰৰ বাবে একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ'ব। বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এইবাৰৰ নিৰ্বাচনত ৫৯ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰাজ্যত এইবাৰ ২ কোটি ৫০ লাখ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা। ৰাজ্যখনৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবাশ কোম্পানী নিয়োগ কৰা হৈছে। দৰং জিলাৰ দলগাঁও সমষ্টিত সৰ্বাধিক আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আমৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথিপত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

শ্ৰীগোৱেলে কয়, যে প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আৰু দিব্যাংগসকলৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰি তোলাৰ বাবে ৩০টা নতুন উদ্যোগ লৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে জিলাই জিলাই কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে জনসাধাৰণক নিৰ্ভয়ে ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

oooo

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ বাবে প্ৰতিখন জিলা সদৰৰ পৰা প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ লগতে নিৰ্বাচনী দায়িত্বত থকা নিৰাপত্তাৰক্ষী ইভিএমসহ কৰ্তব্যস্থানত উপস্থিত হৈছে।

ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ৬টা বিধানসভা সমষ্টিত ভোটগ্ৰহণৰ বাবে প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল সাজু হৈছে। জিলাখনত মুঠ ১০ লাখ ৪১ হাজাৰ ৯৩৫ গৰাকী ভোটদাতা আছে। জিলাখনত মুঠ এহেজাৰ ৩২৬টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ৩০০তকৈও অধিক ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব।

**মাজুলী** বিধানসভা সমষ্টিত ১৮৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ২০টা হৈছে মহিলাৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰ। আজি পুৱাৰে পৰা প'লিং আৰু প্ৰিজাইডিং বিষয়া তথা সুৰক্ষা বাহিনীৰ লোকসকলে ইভিএম আৰু অন্যান্য সামগ্ৰীসহ নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হয়। জিলাখনত নিৰ্বাচনী প্ৰস্তুতিৰ বিষয়ে জিলা আয়ুক্ত সৃষ্টি সিংহই এইদৰে কয়—

**বাইট (সৃষ্টি সিংহ)**

**গোলাঘাট** জিলাত নিৰ্বাচন উপলক্ষে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। জিলাখনৰ ৫টা বিধানসভা সমষ্টিত এহেজাৰ ১৫৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ৯ লাখৰো অধিক ভোটদাতাই এই কেন্দ্ৰসমূহত ভোটদান কৰিব পাৰিব। তদুপৰি জিলাখনৰ ২৫৮টা মহিলাৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে।

**বিশ্বনাথ** জিলাৰ তিনিওটা বিধানসভা সমষ্টিত ভোটগ্ৰহণৰ বাবে প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল সাজু হৈছে। জিলাখনত দুহেজাৰ ৮৭২ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিয়োগ কৰা হৈছে।

**নগাঁও** জিলাৰ ৭টা বিধানসভা সমষ্টিৰ এহেজাৰ ৮৬৮টা ভোটগ্ৰহণ কেন্দ্ৰত আজি দিনৰ ভাগতে সকলো প্ৰিজাইডিং আৰু প'লিং বিষয়া উপস্থিত হয়। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰতে চিচিটিভিৰ উপৰি যাৱতীয় সকলো ব্যৱস্থা কৰা হৈছে। জিলাখনত মুঠ ২০০টা মহিলাৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰ আছে। নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়–

**বাইট (দেৱাশীষ শৰ্মা)**

**মৰিগাঁও** নিৰ্বাচনী জিলাতো ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীসকল নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছে। এইবাৰ ভোটগ্ৰহণকাৰী বিষয়াসকলৰ বাবে সুকীয়া সময় নিৰ্ধাৰণ কৰি দিয়াৰ পৰিপ্ৰেক্ষিতত সামগ্ৰী বিতৰণ কেন্দ্ৰত ভিৰ যথেষ্ট হ্ৰাস পায়। জিলাখনৰ ৯৬৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে মুঠ ৪ হাজাৰ ৭২৪ জন বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হৈছে। জিলাখনত ৭ লাখ ৬৬ হাজাৰ ৫৮৮ গৰাকী পঞ্জীয়নভুক্ত ভোটদাতা আছে।

**গোৱালপাৰা** জিলাৰ ৪টা বিধানসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে প্ৰশাসন সাজু হৈছে। জিলাখনত এহেজাৰ ১০টা ভোটগ্ৰহণ কেন্দ্ৰ আছিল যদিও শেহতীয়াকৈ গোৱালপাৰা পশ্চিম সমষ্টিৰ এটা ভোটকেন্দ্ৰত ভোটদাতাৰ সংখ্যা নিৰ্ধাৰিত হিচাপতকৈ অধিক হোৱাত তাত অতিৰিক্ত এটা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে ২৮৩টা হৈছে স্পৰ্শকাতৰ ভোটকেন্দ্ৰ।

**ধুবুৰী** জিলাৰ ৫টা বিধানসভা সমষ্টিৰ এহেজাৰ ৫৪৮টা ভোটগ্ৰহণ কেন্দ্ৰত প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল উপস্থিত হৈছে। জিলাখনত মুঠ ১২ লাখ ২০ হাজাৰ ৩৮৪ গৰাকী ভোটদাতা আছে।

**দক্ষিণ শালমাৰা**ৰ মানকাচৰ বিধানসভা সমষ্টিৰ ৪০২টা কেন্দ্ৰত ভোটগ্ৰহণৰ বাবে প'লিং আৰু প্ৰিজাইডিং বিষয়াসকল নিজ নিজ কেন্দ্ৰত উপস্থিত হৈছে। সমষ্টিটোত ৫৬টা স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰ আছে আৰু ইয়াৰে বাংলাদেশ সীমান্তত থকা ৪টা ভোটগ্ৰহণ কেন্দ্ৰলৈ যন্ত্ৰচালিত নাৱেৰে বিষয়াসকলে যাত্ৰা কৰে।

**বৰপেটা** জিলাৰ ৪টা বিধানসভা সমষ্টিৰ এহেজাৰ ১২১টা ভোটগ্ৰহণ কেন্দ্ৰত ৩ হাজাৰ ৯৯২ গৰাকী প্ৰিজাইডিং আৰু প’লিং বিষয়া নিয়োগ কৰা হৈছে। চাৰিটা সমষ্টিতে এটাকৈ আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। বৰপেটা সমষ্টিৰ নাৰ্চাৰী আৰু প্ৰাথমিক বিদ্যালয়ত বিশেষভাৱে সক্ষম লোকৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে।

ooooo

নিৰ্বাচনী ব্যস্ততাৰ মাজতেই অসমবাসীয়ে পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে হেঁপাহৰ ৰঙালী বিহু পালন কৰিবলৈ সাজু হৈছে। বিহুলৈ মাজত ছদিন থকা অৱস্থাত ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। বিভিন্ন অঞ্চলত পৰম্পৰা অনুসৰি বিহু পালনৰ বাবে ৰাইজ সাজু হোৱাৰ সমান্তৰালভাৱে মঞ্চ বিহু উদ্‌যাপনৰো প্ৰস্তুতি চলিছে। বিহু হুঁচৰি, নাচৰ আখৰাৰ লগতে সংগীত শিল্পীসকলেও বিহু মঞ্চত জনসাধাৰণক মনোৰঞ্জন দিয়াৰ বাবে পূৰ্ণগতিত আখৰা চলাইছে।

সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত বোকাখাট আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত নগৰ শাখা গোট ছাত্ৰ সন্থাৰ সহযোগত যোৱা ২৮ মাৰ্চৰ পৰা অনুষ্ঠিত বিহু নাচ আৰু ঢোল বাদন কৰ্মশালাৰ কালি সামৰণি পৰে। এই কৰ্মশালাত বোকাখাট অঞ্চলৰ ৪ শতাধিক প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে। ডিব্ৰুগড় জিলাৰ টিংখাঙৰ শলগুৰি টিপোমিয়া খেলপথাৰত অনুষ্ঠিত বিহু কৰ্মশালাৰ আজি সামৰণি পৰিছে। ৫ হাজাৰৰো অধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ সামৰণি অনুষ্ঠানত ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইপিনে, ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিহু পালনৰ প্ৰস্তুতি চলিছে। ডেকা গাভৰুসকলে বিহু নাচৰ আখৰাৰ লগতে বিহু বাদ্যসমূহ যোগাৰ কৰিছে। বিশ্বনাথ জিলাৰ গহপুৰত কাৰিকৰসকলে ঢোল, পেপা, গগনা আদি বিক্ৰীৰ বাবে সাজি উলিয়াইছে। এই বিপনীসমূহত বহু লোকে ভিৰ কৰা পৰিলক্ষিত হৈছে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু আৰু মুকলি বিহু উদ্‌যাপন কৰা হ’ব। ৰাজ্যৰ অন্যান্য ঠাইতো বিহু নাচৰ আখৰা আৰু কৰ্মশালা অনুষ্ঠিত হৈছে। উজনি অসমৰ বিভিন্ন অঞ্চলত বিহুৰ উলহ-মালহ পৰিলক্ষিত হোৱাৰ লগতে নামনি অসমতো জনসাধাৰণে বিহুৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কোনো কোনো ঠাইত বিহুৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্য মেলা, লোকবাদ্য আৰু বিহুনাচৰ প্ৰতিযোগিতা তথা সাজপাৰৰ বিপনী মুকলি কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ 'বলগীয়া এখন খেলত ডেলহী কেপিটেলছ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ 'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ